# মুম্বাইৰ অসম ভৱনত এতিয়াৰ পৰা উপলব্ধ হ'ব সভাৰ গ্ৰন্থ



সভাপতি ড° শইকীয়াইৰ
পৰা গ্ৰন্থৰ টোপোলা
গ্ৰহণ কৰিছে
মুম্বাই অসম ভৱনৰ
আয়ুক্ত-সচিব দেৱাশিষ শৰ্মাই

অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত এলানি নিৰ্বাচিত গ্ৰন্থ মুম্বাইৰ অসম ভৱনত পাঠকৰ বাবে উপলবদ্ধ হোৱাৰ ব্যৱস্থা কৰা হৈছে। এই উদ্দেশ্যেৰে যোৱা ৩০ নৱেম্বৰ, ২০২০ খ্ৰীষ্টাব্দ তাৰিখে সভাৰ গুৱাহাটী কাৰ্যালয়ত সভাৰ সভাপতি ড° কুলধৰ শইকীয়াই নিৰ্বাচিত গ্ৰন্থলানি বিক্ৰীৰ বাবে আনুষ্ঠানিকভাৱে মুম্বাইৰ অসম ভৱনত কৰ্মৰত অসম চৰকাৰৰ আয়ুক্ত-সচিব দেৱাশিষ শৰ্মাৰ হাতত অৰ্পণ কৰে। লগতে, অসম ভৱনৰ পুথিভঁৰালৈ উপহাৰস্বৰূপে এটি গ্ৰন্থৰ টোপোলাও সভাপতি ড° শইকীয়াই আয়ুক্ত-সচিব শ্ৰীশৰ্মাক প্ৰদান কৰে।

এই প্ৰসংগত সভাপতি ড° শইকীয়াই কয় যে সভাই প্ৰকাশ কৰা গ্ৰন্থ বৃহত্তৰ পাঠক সমাজৰ কাষলৈ লৈ যোৱা অভিযানৰ অংশৰূপে মুম্বাইৰ অসম ভৱনত বিক্ৰীৰ বাবে সভাৰ গ্ৰন্থ উপলব্ধ কৰাৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে সভাৰ ডিব্ৰুগড় কাৰ্যালয়ত এখন গ্ৰন্থ বিপনী মুকলি কৰাৰ লগতে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ বিপনীতো সভাৰ গ্ৰন্থ বিক্ৰীৰ বাবে ৰখা হৈছে বুলি জনাই ড° শইকীয়াই কয় যে অসমৰ বিভিন্ন ঠাই যেনে ডিফু, উত্তৰ লক্ষীমপুৰ, নগাঁও, জালাহ, ধুবুৰী, শিলচৰ আদিত অৱস্থিত সভাৰ কাৰ্যালয়সমূহতো সভাৰ গ্ৰন্থ বিক্ৰীৰ ব্যৱস্থা কৰা হ'ব। উল্লেখ কৰিব পাৰি যে সভাৰ যোৰহাটস্থিত কেন্দ্ৰীয় কাৰ্যালয় আৰু গুৱাহাটী প্ৰশাসনীয় কাৰ্যালয়ত দুখন গ্ৰন্থ বিপনীত নিয়মিতভাৱে সভাৰ গ্ৰন্থ বিক্ৰী হৈ আছে।

গ্ৰন্থৰ টোপোলা গ্ৰহণ কৰি আয়ুক্ত-সচিব শ্ৰীশৰ্মাই অসম সাহিত্য সভাৰ এনে আঁচনিক ভূয়সী প্ৰশংসা কৰে আৰু কয় যে মুম্বাইৰ অসম ভৱনত এইদৰে সভাৰ গ্ৰন্থ বিক্ৰীৰ ব্যৱস্থা প্ৰক্ৰিয়ালৈ সহায় আগবঢ়াই তেওঁ ধন্য। চমু এই অনুষ্ঠানটিত সভাৰ গুৱাহাটী কাৰ্যালয়ৰ সম্পাদক, কবি মনজিৎ সিং আৰু সভাৰ কাৰ্যনিৰ্বাহক সদস্য, গল্পকাৰ অপূৰ্বকুমাৰ শইকীয়া উপস্থিত আছিল।

০০০০